# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

## Headlines

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধী মিত্ৰজোট স্বজনতোষণ আৰু তুষ্টিকৰণৰ ৰাজনীতিত লিপ্ত হৈ অহা বুলি অভিযোগ তুলি বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিশ্বৰ সবাতকৈ ওখ যুদ্ধক্ষেত্ৰ চিয়াছেন পৰিদৰ্শন কৰি তাৰ সামগ্ৰিক সুৰক্ষা ব্যৱস্থাৰ থিতাতে মূল্যায়ন কৰে।

৪। নিৰ্বাচন আয়োগে প্ৰতিটো পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে গ্ৰীষ্ম প্ৰবাহৰ পৰিস্থিতি নিৰীক্ষণ কৰিবলৈ এটা টাস্ক ফ'ৰ্চ গঠন কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছতে জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিছে। সন্ধিয়া ৬ বজাৰ পৰা অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু ভাৰত নাট্যমৰ বিশিষ্ট শিল্পী ড০ পদ্মা সুব্ৰমণ্যমক পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। আনহাতে বিন্দেশ্বৰ পাঠকক মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। অভিনেতা মিথুন চক্ৰৱৰ্তী আৰু সংগীত শিল্পী উষা উত্থুপে আজি সন্মানীয় পদ্ম ভূষণ বঁটা গ্ৰহণ কৰে।

অসমৰ পৰা হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱা, চিৰাঙৰ প্ৰগতিশীল কৃষক সৰ্বেশ্বৰ বসুমতাৰী আৰু দৰঙৰ সুকন্নানী শিল্পী দ্ৰোন ভূঞাক পদ্ম ভূষণ সন্মানেৰে সন্মানিত কৰা হৈছে। পদ্ম ভূষণ বঁটাপ্ৰাপক আন আন ব্যক্তিসকল হ'ল- সমাজসেৱক ড০ সীতাৰাম জিন্দাল, হৃদৰোগ বিশেষজ্ঞ ডা- তেজছ মধুসূদন পেটেল আৰু উত্তৰ প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল ৰাম নাইক।

উল্লেখযোগ্য যে দেশৰ সৰ্বোচ্চ সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধী মিত্ৰজোট স্বজনতোষণ আৰু তুষ্টিকৰণৰ ৰাজনীতিত লিপ্ত হৈ অহা বুলি অভিযোগ তুলি বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰিছে। উত্তৰ প্ৰদেশৰ

আলিগড়ত আজি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, দেশৰ পৰা দৰিদ্ৰতা দূৰীকৰণ আৰু দুৰ্নীতি তথা স্বজনতোষণৰ সমস্যাক পুলিয়ে পোখাই উৎখাত কৰাৰ এয়াই উত্তম সময়। কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ দৰে দলসমূহে সদায়ে তুষ্টিকৰণৰ ৰাজনীতি কৰি আহিছে আৰু  সংখ্যালঘু সম্প্ৰদায়ৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে একো কৰা নাই। বিজেপিয়ে দেশত সকলো ধৰণৰ উদ্যোগক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত অহৰহ কাম কৰি আছে বুলি মন্তব্য কৰি শ্ৰীমোদীয়ে ৰাষ্ট্ৰৰ উন্নয়নৰ হ'কে ভোটদানক অগ্ৰাধিকাৰ দিবলৈ নাগৰিকসকলৰ প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে আলিগড় লোকসভা সমষ্টিত বিজেপিয়ে বৰ্তমানৰ সাংসদ সতিশ গৌতমক প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে চৌধুৰী বিজেন্দ্ৰ সিং আৰু বহুজন সমাজ পাৰ্টীয়ে হিতেন্দ্ৰ কুমাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিশ্বৰ সবাতকৈ ওখ যুদ্ধক্ষেত্ৰ চিয়াছেন পৰিদৰ্শন কৰি তাৰ সামগ্ৰিক সুৰক্ষা ব্যৱস্থাৰ থিতাতে মূল্যায়ন কৰে। তেওঁ লগতে অত্যন্ত প্ৰতিকূল বতৰ আৰু প্ৰত্যাহ্বানমূলক ভৌগলিক পৰিস্থিতিৰ মাজত কৰ্তব্যত নিয়োজিত হৈ থকা সেনা বাহিনীৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰে। প্ৰতিকূল পৰিস্থিতিৰ মাজতো অসীম সাহস আৰু দৃঢ়তাৰে দেশমাতৃক সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত জোৱানসকলৰ অৱদানক শ্ৰীসিঙে ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে, সামৰিক বাহিনীৰ সদস্যসকলৰ প্ৰতি দেশবাসী চিৰঋণী হৈ ৰব কিয়নো তেওঁলোকৰ ত্যাগৰ বাবেই দেশৰ প্ৰতিগৰাকী নাগৰিকে নিৰাপদ অনুভৱ কৰে। চিয়াছেনক দেশৰ সাৰ্বভৌমত্ব আৰু দৃঢ়তাৰ প্ৰতীক আখ্যা দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে যুদ্ধক্ষেত্ৰখনক সাহস, শৌৰ্য আৰু নিষ্ঠাৰ ৰাজধানীৰূপে  অভিহিত কৰে। তেওঁ লগতে মেঘদূত অভিযানৰ সফলতাৰ কথা স্মৰণ কৰি এই অভিযানক দেশৰ সামৰিক ইতিহাসৰ সোণোৱালী অধ্যায়ৰূপে অভিহিত কৰে। মেঘদূত অভিযানৰ সাফল্যক সকলোৰে বাবে গৌৰৱৰ বিষয় বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, ১৯৮৪ চনৰ ১৩ এপ্ৰিলত ভাৰতীয় সেনাই চিয়াছেনত মেঘদূত অভিযান আৰম্ভ কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ আনুষ্ঠানিক বিবৃতি অনুসৰি শ্ৰীসিঙে চিয়াছেন যুদ্ধস্মাৰকত পুষ্পমাল্যও তৰ্পন কৰে।

০০০০

দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আলিগড় আৰু ফটেহপুৰ ছিক্ৰী জিলাত প্ৰচাৰ চলায়। একেদৰে বিৰোধী দলসমূহেও প্ৰচাৰ ব্যাপক ৰূপত চলাই আছে। বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে আজি বুলগুশেহৰ জিলাত আয়োজিত এটা নিৰ্বাচনী সমাবেশত দিয়া ভাষণত বিজেপিক সমালোচনা কৰি কয় যে, দলটোৱে জনসাধাৰণক আভুৱা ভৰাৰ বিপৰীতে সঁচা অৰ্থত কোনো লেখত ল'বলগীয়া কাম কৰা নাই। কংগ্ৰেছ দলৰ হৈ ৰাজ্যখনৰ তত্বাৱধায়ক অবিনাশ পাণ্ডেই আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়।

ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেৰালাৰ  ৱায়নাড সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ এটা ৰোড শ্ব'ত অংশ লয়। সমষ্টিটোত কংগ্ৰেছৰ দলৰ নেতা ৰাহুল গান্ধীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নিজৰ ভাষণত ড° শৰ্মাই কয় যে, সমষ্টিটোৰ জনসাধাৰণে কংগ্ৰেছ নেতাগৰাকীক এইবাৰ সমুচিত উত্তৰ দিব।

০০০০

নিৰ্বাচন আয়োগে প্ৰতিটো পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে গ্ৰীষ্ম প্ৰবাহৰ পৰিস্থিতি নিৰীক্ষণ কৰিবলৈ এটা টাস্ক ফ'ৰ্চ গঠন কৰিছে। এই টাস্ক ফ'ৰ্চত নিৰ্বাচন আয়োগে, ভাৰতীয় বতৰ  বিজ্ঞান প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আৰু স্বাস্থ্য মন্ত্ৰালয়ৰ বিষয়াসকলক সন্নিবিষ্ট কৰিছে। তেওঁলোকে ভোটগ্ৰহণৰ ৫

দিন আগতে গ্ৰীষ্ম প্ৰবাহ আৰু আদ্ৰতাৰ ফলত সৃষ্টি হ'ব পৰা উদ্বেগজনক পৰিস্থিতি আৰু ইয়াৰ প্ৰশমনমূলক ব্যৱস্থাৰ সন্দৰ্ভত পৰ্যালোচনা কৰিব। আয়োগে ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াসকলৰ সৈতেও পৃথক পৰ্যালোচনা কৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৰ'দৰ পৰা ৰক্ষা পাবলৈ তম্বু, খোৱাপানী, ফেন আৰু অন্যান্য ন্যূনতম সুবিধাসমূহৰ পৰ্যাপ্ত ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে গ্ৰীষ্মৰ প্ৰভাৱ চিন্তনীয় নহয় বুলি ভাৰতীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ সঞ্চালক প্ৰধানে নিৰ্বাচন আয়োগক অৱগত কৰে। এই পৰ্যায়ৰ নিৰ্বাচনৰ বাবে যোৱা ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত বতৰ স্বাভাৱিক হৈ থাকিব বুলিও জনায়।

দেশৰ কিছুমান অঞ্চলত স্বাভাৱিকতকৈ অধিক উষ্ণতা আৰু গৰমৰ টৌৰ পৰিপ্ৰেক্ষিতত আয়োগে আজি সংশ্লিষ্ট সংস্থাসমূহৰ সৈতে এখন বৈঠকত মিলিত হৈ পৰিৱৰ্তনশীল বতৰৰ পৰিস্থিতি বুজিবলৈ আৰু গৰম বতৰৰ ফলত হোৱা যিকোনো বিপদ কমোৱাৰ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰে। আলোচনাত নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ লগতে নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সিন্ধুৱে অংশগ্ৰহণ কৰে।

০০০০

বিজেপি দলে আজি গুজৰাটৰ চুৰাট লোকসভা আসনখনত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা এই লোকসভা সমষ্টিৰ বাবে বৈধ বিবেচিত আন আঠাইকেইগৰাকী প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত বিজেপিৰ প্ৰাৰ্থী মুকেশ দালালক বিজয়ী প্ৰাৰ্থীৰূপে ঘোষণা কৰা হয়। চুৰাটৰ জিলা আয়ুক্ত তথা ৰিটাৰ্ণিং অফিছাৰ সৌৰভ পাৰ্ধীয়ে এই সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰিছে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ছুৰাট লোকসভা আসনখনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী নীলেশ কুম্ভানীৰ মনোনয়ন প্ৰস্তাৱকগৰাকীৰ স্বাক্ষৰৰ অমিলৰ বাবে অবৈধ ঘোষণা কৰা হৈছিল। কংগ্ৰেছৰ বিকল্প প্ৰাৰ্থী সুৰেশ পাড়ছালাৰ মনোনয়ন পত্ৰও অবৈধ ঘোষিত হোৱাৰ ফলত ছুৰাট আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কংগ্ৰেছৰ কোনো প্ৰাৰ্থী নাথাকিল। আজি আন ৮ গৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়ন প্ৰত্যাহাৰ কৰাত বিজেপিৰ প্ৰাৰ্থীগৰাকী জয়ী ঘোষিত হয়।

০০০০

পৰিবেশ সংৰক্ষণৰ প্ৰচেষ্টাসমূহক উৎসাহিত কৰাৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হৈছে। **পৃথিৱী বনাম প্লাষ্টিক** শীৰ্ষক বিষয়বস্তুৰ জৰিয়তে প্লাষ্টিক প্ৰদূষণ তথা প্ৰকৃতিৰ ওপৰত প্লাষ্টিকে পেলোৱা প্ৰতিকূল প্ৰভাৱ সন্দৰ্ভত আলোকপাত কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্নিয়াৰ উপকূলত তেলৰ বৃহৎ অপচয় হোৱাৰ কেইমাহমানৰ পাছত ১৯৭০ চনৰ ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ সূচনা কৰা হৈছিল। এই দিৱসে পৰিবেশ সংৰক্ষণ কৰিবলৈ প্ৰতিগৰাকী ব্যক্তিক সোঁৰৰাই দিয়াৰ লগতে এটা উন্নত ভৱিষ্যত তথা সুস্থ পৃথিৱী গঢ়াৰ হকে সকলোকে উৎসাহিত কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছতে জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্যযে ৰাজস্থান ৰয়েল্‌ছ ৭ খেলৰ পৰা লাভ কৰা ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষ স্থানত থকাৰ বিপৰীতে মুম্বই ইণ্ডিয়ানছ সমসংখ্যক খেলৰ পৰা ৬ পইণ্টেৰে তালিকাৰ সপ্তম স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ